# নিৰ্বাচন আৰু নিৰ্বাচনী প্ৰক্ৰিয়া

## অৰ্থনীতি আৰু ৰাজনীতি খণ্ড

**প্ৰশ্ন ১। চমু উত্তৰ দিয়া**

**( ক ) বিধান সভাৰ সদস্যসকলক কোনে নিৰ্বাচিত কৰে ?**

উত্তৰঃ বিধান সভাৰ সদস্যসকলক সংশ্লিষ্ট বিধানসভা সমষ্টিৰ ভােটাৰসকলে ভােট দি নিৰ্বাচিত কৰে।

**( খ ) শাসক দল মানে কি ?**

উত্তৰঃ চৰকাৰ গঠন কৰা ৰাজনৈতিক দলটোক শাসক দল বােলে ।

**( গ ) দেশত মধ্যকালীন নিৰ্বাচন কেতিয়া হয় ?**

উত্তৰঃ চৰকাৰ এখনৰ কাৰ্যকাল সম্পূৰ্ণ হােৱাৰ আগতে বিশেষ কাৰণত চৰকাৰ ভংগ হৈ গলে , তেনে পৰিস্থিতিত দেশত মধ্যকালীন নিৰ্বাচন হ’ব পাৰে । কেতিয়াবা কেতিয়াবা মিত্ৰজোঁটৰ মতানৈক্যৰ ফলত বা আন কোনাে কাৰণত মন্ত্ৰীসভাই সদনত সংখ্যাগৰিষ্ঠতা হেৰুৱাব পাৰে । এনে পৰিস্থিতিত ৰাজ্যিক বিধান সভা বা লােকসভা ভংগনকৰাকৈ ৰাজ্যপাল বা ৰাষ্ট্ৰপতিয়ে বিবেচনা কৰি সদনত সংখ্যা গৰিষ্ঠতা লাভ কৰিব পৰা দলৰ নেতাজনক চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাব পাৰে । যদি সেয়া সম্ভৱ হৈ নুঠে তেতিয়া তেওঁলােকে মন্ত্ৰীসভাৰ নিৰ্দিষ্ট কাম সম্পূৰ্ণ হােৱাৰ আগতে চৰকাৰ ভংগ কৰি মধ্যকালীন নিৰ্বাচন অনুষ্ঠিত কৰে ।

**( ঘ ) ৰাজ্য বিধান সভাৰ কাৰ্যকাল কিমান বছৰ ?**

উত্তৰঃ ৰাজ্য বিধান সভাৰ কাৰ্যকাল পাঁচ বছৰ ।

**( ঙ ) দুটা ৰাষ্ট্ৰীয় দলৰ নাম উল্লেখ কৰা ।**

উত্তৰঃ দুটা ৰাষ্ট্ৰীয় দলৰ নাম হ’ল-

( ১ ) ভাৰতীয় জাতীয় কংগ্ৰেছ । আৰু

( ২ ) ভাৰতীয় জনতা পাৰ্টি ।

**( চ ) অসমৰ উল্লেখযাোগ্য আঞ্চলিক দল এটাৰ নাম ?**

উত্তৰঃ অসমৰ উল্লেখযাোগ্য আঞ্চলিক দল এটাৰ নাম হ'ল- অসম গণ পৰিষদ ।

**২। উত্তৰ লিখা :**

**( ক ) নিৰ্বাচনী প্ৰক্ৰিয়াটো কেনে ধৰণৰ ? বৰ্ণনা কৰা।**

উত্তৰঃ দেশৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ কেন্দ্ৰত এখন নিৰ্বাচনী আয়াোগ আছে । তেনেদৰে ৰাজ্যসমূহতাো একোখন ৰাজ্যিক নিৰ্বাচনী আয়াোগ আছে । নিৰ্বাচনৰ কাম – কাজ সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে এই আয়াোগে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগত আলাোচনা কৰি নিৰ্বাচনৰ তাৰিখ আৰু কাৰ্যসূচী প্ৰস্তুত কৰে । নিৰ্বাচনৰ বাবে মনাোনয়ন পত্ৰ দাখিলৰ তাৰিখ , মনাোনয়ন পত্ৰ পৰীক্ষা আৰু প্ৰত্যাহাৰৰ তাৰিখ , নিৰ্বাচনৰ ফলাফল ঘাোষণা কৰাৰ তাৰিখাো আয়াোগে নিৰ্ধাৰণ কৰে । আয়াোগে নিৰ্বাচন অনুষ্ঠিত হ'ব লগা ঠাইত কিছুমান আচৰণ বিধি বলবৎ কৰে ।

নিৰ্বাচন আয়াোগে নিৰ্বাচনৰ দিন ঘাোষণা কৰাৰ পাছত ৰাজনৈতিক দলবাোৰে তেওঁলাোকৰ নিজ দলৰ প্ৰাৰ্থী নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মনাোনীত কৰে ।

ৰাজনৈতিক দলসমূহে নিজ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া নেতাজনক লগত লৈ নিজ নিজ সমৰ্ষ্টিত প্ৰচাৰ চলায় । দলীয় কৰ্মীসকলে ভাোটাৰসকলৰ ঘৰে ঘৰে গৈ নিজৰ বিষয়া প্ৰাৰ্থীজনক ভাোট দিবলৈ অনুৰাোধ জনায় । নিৰ্বাচন সুকলমে পৰিচালনা কৰিবলৈ নিৰ্বাচনী

নিযুক্তি দিয়া হয় ।

**( খ ) গণতন্ত্ৰত ৰাজনৈতিক দলৰ কাৰ্যাৱলীসমূহ কি কি ?**

উত্তৰঃ গণতন্ত্ৰত ৰাজনৈতিক দলৰ প্ৰধান কাৰ্যসমূহ এনেধৰণৰ :

( ১ ) নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ।

( ২ ) ৰাজনৈতিক চেতনা জাগ্ৰত কৰা ।

( ৩ ) জনমত গঠন কৰা । আৰু

( ৪ ) চৰকাৰ গঠনত সহায় কৰা ইত্যাদি ।

**( গ ) গণতন্ত্ৰত বিৰোধী দলে কেনেকৈ চৰকাৰক নিয়ন্ত্ৰণ কৰে ?**

উত্তৰঃ ( ১ ) বিৰোধী দলে চৰকাৰ নীতি আৰু কাৰ্যৰ সমালোচনা কৰি দোষ – ত্ৰুটি আঙুলিয়াই দিয়ে ।

( ২ ) চৰকাৰে নিজৰ স্বাৰ্থপূৰণৰ বাবে স্বেচ্ছাচাৰীশাসন চলাব বিচাৰিলে সেই ক্ষেত্ৰত বিৰোধী দলে বাধা প্ৰদান কৰে ।

( ৩ ) বিৰোধী দলে চৰকাৰৰ অন্যায় কাৰ্যৰ বিৰুদ্ধে জনমত গঠন কৰে ।

( ৪ ) চৰকাৰে যদি জনকল্যাণমূলক আঁচনি কাৰ্যকৰী নকৰে তেন্তে বিৰোধী দলে তাৰ সমালোচনা কৰি সেইসমূহ কাৰ্যকৰণৰ ব্যৱস্থা কৰে ।

( ৫ ) সদনৰ অধ্যক্ষৰ জৰিয়তে বিভাগীয় মন্ত্ৰীসকলৰপৰা বিৰোধী দলে কামৰ খতিয়ান বিচাৰে ।

**( ঘ ) গণতন্ত্ৰত নিৰ্বাচন প্ৰয়োজনীয়তা আছে নে ?**

উত্তৰঃ গণতন্ত্ৰত নিৰ্বাচনৰ প্ৰয়োজন আছে । গণতন্ত্ৰত ভোটদানৰ যোগেদি জনসাধাৰণে নিজৰ মনৰ পছন্দৰ প্ৰাৰ্থী নিৰ্বাচিত কৰিব পাৰে। নিৰ্বাচন অবিহনে স্বৈৰাচাৰী শাসন চলিব । তদুপৰি জনগণৰ পৰিপন্থী কাম কৰা জনপ্ৰতিনিধিক পৰৱৰ্তী নিৰ্বাচনত জনসাধাৰণে প্ৰত্যাখ্যান কৰাৰ সুবিধা নিৰ্বাচনৰ যোগেদি ল’ব পাৰে । গণতন্ত্ৰ মানেই যিহেতু জনসাধাৰণৰ দ্বাৰা শাসিত চৰকাৰক বুজায় , গতিকে নিৰ্বাচন অবিহনে গণতন্ত্ৰৰ এই মূল চৰিত্ৰটোৱেই বিকৃত হৈ যাব । নিৰ্বাচনেই হ’ল জনসাধাৰণৰ মত প্ৰকাশৰ এক গুৰুত্বপূৰ্ণ মাধ্যম । গতিকে দেখা গ’ল যে গণতন্ত্ৰত নিৰ্বাচনৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি ।

**প্ৰশ্ন ৩। শুদ্ধ উত্তৰটো বাছি উলিওৱা—**

**( ক ) ভাৰতৰ উপৰাষ্ট্ৰপতি প্ৰত্যক্ষ / পৰোক্ষভাৱে নিৰ্বাচিত হয় ।**

উত্তৰঃ ভাৰতৰ উপৰাষ্ট্ৰপতি  পৰোক্ষভাৱে নিৰ্বাচিত হয় ।

**( খ ) লােকসভাৰ সদস্য সংখ্যা ৫৪৫ / ১২৬ জন ।**

উত্তৰঃ লােকসভাৰ সদস্য সংখ্যা ৫৪৫ জন ।

**( গ ) তেলেগু দেশম পাৰ্টি এটা আঞ্চলিক / ৰাষ্ট্ৰীয় দল ।**

উত্তৰঃ তেলেগু দেশম পাৰ্টি এটা আঞ্চলিক  দল ।

**( ঘ ) মুখ্যমন্ত্ৰীক ৰাজ্যপাল / ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে ।**

উত্তৰঃ মুখ্যমন্ত্ৰীক ৰাজ্যপাল নিযুক্তি দিয়ে ।

**( ঙ ) বিধান সভাৰ কাৰ্যকাল ( ৭/৫ ) বছৰ ।**

উত্তৰঃ বিধান সভাৰ কাৰ্যকাল ৫ বছৰ ।

**প্ৰশ্ন ৪। চমুটোকা লিখা—**

**( ক ) সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভােটাধিকাৰ**

উত্তৰঃ সকলাে দেশতে এটা নিৰ্ধাৰিত বয়সপূৰ্ণ হােৱাৰ পাছতহে কোনাে লােকক প্ৰাপ্তবয়স্ক বুলি ধৰা হয় । গণতান্ত্ৰিক দেশসমূহত জাতি , বৰ্ণ , ধৰ্ম আৰু ভাষা নিৰ্বিশেষে সকলাে প্ৰাপ্তবয়স্ক লােকক দিয়া প্ৰতিনিধি নিৰ্বাচনৰ অধিকাৰকে সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভােটাধিকাৰ বােলা হয় । এই ভােটাধিকাৰৰ বয়স সকলাে ৰাষ্ট্ৰতেই একে নহয় । আমাৰ ভাৰতবৰ্ষত ভােটাধিকাৰৰ বয়স ১৮ বছৰ কৰা হৈছে ।

**( খ ) নিৰ্বাচনী আয়ােগ**

উত্তৰঃ দেশৰ নিৰ্বাচন পৰিচালনাৰ বাবে কেন্দ্ৰত এখন নিৰ্বাচনী আয়ােগ থাকে । এই আয়ােগত এজন মুখ্য নিৰ্বাচনী আয়ুক্ত আৰু দুজন নিৰ্বাচনী আয়ুক্ত থাকে । মুখ্য নিৰ্বাচনী আয়ুক্তজনক ৰাষ্ট্ৰপতিয়ে নিয়ােগে কৰে । ঠিক তেনেদৰে ৰাজ্যসমূহতাে একোখন ৰাজ্যিক নিৰ্বাচনী আয়ােগ গঠন কৰা হয় । নিৰ্বাচনী আয়ােগে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগত আলােচনা কৰি নিৰ্বাচনৰ তাৰিখ আৰু কাৰ্যসূচী প্ৰস্তুত কৰে । নিৰ্বাচনী আয়ােগে নিৰ্বাচনৰ ফলাফল ঘােষণা কৰে ।

**( গ ) ৰাজ্যনৈতিক দল**

উত্তৰঃ নিৰ্দিষ্ট নীতিৰ ওপৰত প্ৰতিষ্ঠিত , একে আদৰ্শৰে অনুপ্ৰাণিত হৈ সাংগঠনিকভাৱে নাগৰিকসকলে যেতিয়া কোনো সংস্থা গঢ়ি তোলে আৰু সাংবিধানিক উপায়েৰে চৰকাৰ গঠন কৰাৰ চেষ্টা চলায় তেতিয়া তাক ৰাজনৈতিক দল বুলি কোৱা হয় ।

ৰাজনৈতিক দল গণতন্ত্ৰৰ এক অবিচ্ছেদ্য অংগ । প্ৰতিনিধিমূলক গণতান্ত্ৰিক শাসন ব্যৱস্থাত ৰাজনৈতিক দলে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে । আমাৰ দেশত থকা ৰাজনৈতিক দলবোৰৰ কিছুমান ৰাষ্ট্ৰীয় দল আৰু কিছুমান আঞ্চলিক দল এটা ৰাজনৈতিক দলে ৰাষ্ট্ৰীয় দল হিচাপে মৰ্যাদা লাভ কৰিবলৈ হ'লে নিৰ্বাচনী আয়োগৰ স্বীকৃতিপ্ৰাপ্ত হোৱাৰ উপৰি তিনিখন বা ততোধিক ৰাজ্যৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবৰ বাবে , পঞ্জীয়নভুক্ত হ'ব লাগে । আনহাতে কোনো ৰাজ্যৰ আঞ্চলিক স্বাৰ্থত গুৰুত্ব দি অঞ্চলটোৰ আৰ্থ – সামাজিক , সাংস্কৃতিক বিকাশৰ উদ্দেশ্য আগত ৰাখি গঠন কৰা দলক আঞ্চলিক দল বোলে ।